**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-08 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

--------------------

১।  ২০২৭ চনত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ আয়োজনৰ বাবে মুখ্যমন্ত্ৰীৰ প্ৰস্তাৱ। উত্তৰ গুৱাহাটীত ক্ৰীড়া একাডেমী মুকলি।

২।  অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ মাজত গুৱাহাটীত সৌহাৰ্দ্যপূৰ্ণ বৈঠক।

৩।  বিশ্বনাথৰ ননকে জাপৰিগুৰিৰ ১৭০ বিঘা ভূমিত উচ্ছেদ অভিযানৰ বাবে আৰক্ষী প্ৰশাসনৰ প্ৰস্তুতি সম্পূৰ্ণ।

৪।  ধেমাজিত ২০০৪ চনৰ ১৫ আগষ্টত বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা ১৩টি শিশুক স্মৰণ কৰি ৰাজ্যত আজি শোক দিৱস পালন। *আৰু*

৫।  অসমৰ নিব্ৰাছ হুছেইনৰ গুৱাহাটীৰ চচলত অনুষ্ঠিত আইটা ছুপাৰ চিৰিজ টেনিছ প্ৰতিযোগিতাত দ্বিমুকুট অৰ্জন।

০০০

২০২৭ চনত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। উত্তৰ গুৱাহাটীত আজি দুখনকৈ উন্নত মানৰ ক্ৰীড়া একাডেমী মুকলি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই একাডেমী দুখনৰ জৰিয়তে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন আহিব। ড০ শৰ্মাই কয় যে বিশ্বমানৰ খেলুৱৈ সৃষ্টি কৰিবলৈ হ'লে খেলুৱৈসকলৰ বাবে বিশ্বমানৰ সা-সুবিধা সৃষ্টি কৰিব লাগিব আৰু অসমত এনে প্ৰচেষ্টা চলি আছে। ৰাজ্যৰ প্ৰতিখন জিলাতে ক্ৰীড়াৰ অনুশীলনৰ বাবে উত্তম আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে আৰু প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৰাজ্যত ক্ৰীড়াৰ বিকাশৰ বিষয়ে আলোকপাত কৰি ড০ শৰ্মাই কয় যে যোৰহাট, গুৱাহাটী আৰু কোকৰাঝাৰত কেইবাটাও উচ্চ প্ৰদৰ্শন কেন্দ্ৰ গঢ়ি উঠিছে আৰু ৰাজ্যৰ বাহিৰৰ বিনিয়োগকাৰীয়ে ৰাজ্যৰ ক্ৰীড়া খণ্ডৰ উন্নয়নৰ প্ৰতি আগ্ৰহ দেখুৱাইছে। অনুষ্ঠানত অংশ লৈ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সচিব দেৱজিৎ শইকীয়াই আজিৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যত ফুটবল আৰু ক্ৰিকেটৰ বাবে নতুন যাত্ৰা বুলি অভিহিত কৰে।

৪০ বিঘা ভূমিত নিৰ্মাণ কৰা অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমী আৰু গুৱাহাটী টাউন ক্লাৱৰ ফুটবল একাডেমী দুখনত হোষ্টেল, জিম, পেভিলিয়ন, ইনড'ৰ ষ্টেডিয়াম আৰু খেলপথাৰকে ধৰি সকলো ধৰণৰ সা-সুবিধা আছে।

বাইট (চি এম)

উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী অশোক সিংহাল উপস্থিত থাকে।

০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি গুৱাহাটীত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী নেতাই উভয় ৰাজ্যৰ পাৰস্পৰিক বিকাশ সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰে। বৈঠকত উভয় ৰাজ্যৰ উন্নয়ন আৰু সহযোগিতামূলক পদক্ষেপৰ বিষয়েও আলোচনা কৰা হয়।

০০০

বিশ্বনাথ জিলা প্ৰশাসনে কাইলৈ ননকে জাপৰিগুৰিৰ ১৭০ বিঘা ভূমিত উচ্ছেদ চলাব। উচ্ছেদ অভিযানৰ বাবে আৰক্ষী প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে ইতিমধ্যে অঞ্চলটোত আৰক্ষী প্ৰশাসন সষ্টম হৈ আছে আৰু অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। অঞ্চলটোৰ ৩০৯টা পৰিয়ালৈ উচ্ছেদ অভিযানৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ কৈছিল। অঞ্চলটোৰ পৰা অধিকাংশ লোক আঁতৰি গৈছে। জিলাখনত অবৈধ দখলকাৰীৰ কবলত ৫৬ হাজাৰ বিঘা চৰকাৰী ভূমি আছে। ইয়াৰে ভিতৰত বিশ্বনাথ ৰাজহ চক্ৰতে প্ৰায় ৪৪ হাজাৰ বিঘা ভূমি আছে।

০০০

দেশৰ বিভিন্ন অংশত আজি ভগৱান শ্ৰীশ্ৰী কৃষ্ণৰ জন্মাষ্টমী উদ্‌যাপন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক জন্মাষ্টমীৰ শুভেচ্ছা জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ভগৱান শ্ৰীকৃষ্ণই মানৱ জাতিক সকলোৰে কল্যাণৰ বাবে নিষ্ঠাবান হৈ সঠিক পথেৰে কিদৰে কৰ্তব্য সম্পাদন কৰিব পাৰি তাৰ সন্ধান দিছে। শ্ৰীমতী মুৰ্মুৱে লগতে ভগৱান শ্ৰীকৃষ্ণই দেখুৱাই যোৱা পথ অনুসৰণ কৰিবলৈ আৰু সমাজ তথা ৰাষ্ট্ৰৰ সুদৃঢ়কৰণৰ বাবে কাম কৰিবলৈ নাগৰিকসকলক আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বাৰ্তাযোগে বিশ্বাস আনন্দ আৰু উৎসাহৰ পৱিত্ৰ উৎসৱ জন্মাষ্টমীয়ে জনসাধাৰণৰ জীৱনত নতুন উৎসাহ উদ্দীপনাৰ সঞ্চাৰ কৰিব বুলি আশা প্ৰকাশ কৰিছে। দেশৰ ঠাই বিশেষে আজি জন্মাষ্টমী পালন কৰা হৈছে যদিও অসমত  পৰম্পৰা অনুযায়ী ভাদ মাহতহে জন্মাষ্টমী উদ্‌যাপন কৰা হ'ব। অৱশ্যে ৰাজ্যৰ কোনো কোনো ঠাইত আজি জন্মাষ্টমী উদ্‌যাপন কৰা হয়। ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি উত্তৰ গুৱাহাটীৰ হৰেকৃষ্ণ মন্দিৰত জন্মাষ্টমীৰ কাৰ্যসূচীত অংশ লৈ ৰাজ্যবাসীৰ শান্তি কামনা কৰে।

০০০

ধেমাজিত ২০০৪ চনৰ ১৫ আগষ্টত বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা ১৩টি শিশুক স্মৰণ কৰি ৰাজ্যৰ বিভিন্ন অংশত আজি শোক দিৱস পালন কৰা হৈছে। গুৱাহাটীত অৱস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ লগতে ডিব্ৰুগড়, কাৰ্বি আংলং, বৰপেটা আদি বিভিন্ন জিলাত এই শোক দিৱসৰ সৈতে সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাহিলীপাৰাৰ মুখ্য কাৰ্যালয়ত আয়োজিত আজিৰ শোক দিৱসৰ অনুষ্ঠানত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, আৰক্ষী মহাপৰিদৰ্শক অখিলেশ সিং, বিবেকৰাজ সিং আৰু প্ৰশান্ত ভূঞাৰ লগতে আন বহুকেইগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়া আৰু বিভিন্ন বৰ্গৰ কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতেই সমাজত শান্তি, সামাজিক শৃংখলা আৰু সকলো শ্ৰেণীৰ লোকৰ মাজত পাৰস্পৰিক বুজাবুজি বৃদ্ধিৰ হকে কাম কৰাৰ লগতে মানৱ জীৱন আৰু প্ৰমূল্যবোধৰ প্ৰতি শংকা কঢ়িয়াই অনা অশুভ শক্তিৰ বিৰুদ্ধে যুঁজ দি যাবলৈ সকলোৱে শপত গ্ৰহণ কৰে। অসম আৰক্ষীৰ প্ৰশাসন বিভাগৰ সহকাৰী আৰক্ষী মহাপৰিদৰ্শক প্ৰণৱজ্যোতি গোস্বামীয়ে বিষয়া-কৰ্মচাৰীসকলক শপতবাক্য পাঠ কৰোৱায়।

একেদৰে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত শোকসভাত নিৰ্বাচনী বিষয়া প্ৰাঞ্জিল গগৈয়ে ২০০৪ চনৰ ১৫ আগষ্টৰ বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি  অনুষ্ঠানত উপস্থিত থকা সকলোকে হিংসা বিৰোধী  শপত বাক্য পাঠ কৰোৱায়।

বৰপেটাতো আজি শোক দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। জিলাখনৰ শিক্ষানুষ্ঠানৰ লগতে সকলো চৰকাৰী কাৰ্যালয়ত আজি সন্ত্ৰাসবাদবিৰোধী শপত গ্ৰহণ কৰা হয় বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

কাৰ্বি আংলঙতো বোমা বিস্ফোৰণত প্ৰাণ আহুতি দিয়াসকলক সুঁৱৰি জিলা আৰক্ষীৰ লগতে বৈঠালাংছ' থানাৰ আৰক্ষীয়ে গভীৰ শোক প্ৰকাশ কৰে। অনুষ্ঠানত বৈঠালাংছ' থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীপজ্যোতি ইংতিয়ে ১

মিনিট মৌনতা অৱলম্বন কৰি বিদেহ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে দেশৰ অহিংসা আৰু পৰম্পৰাৰ প্ৰতি গভীৰ আস্থা ৰাখি সকলোকে শপতবাক্য পাঠ কৰোৱায়।

কাছাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত হেমাংগ নবিছে বিষয়া-কৰ্মচাৰীসকলক শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত অংশগ্ৰহণ কৰা সকলোৱে সন্ত্ৰাসবাদ আৰু হিংসাৰ বিৰুদ্ধে দৃঢ়তাৰে থিয় দি সমাজত শান্তি, ঐক্য আৰু সম্প্ৰীতি অটুট ৰখাৰ বাবে অংগীকাৰবদ্ধ হয়। নগাঁও আৰু শ্ৰীভূমি জিলাতো শোক দিৱস পালন কৰা হয় বুলি জিলা দুখনৰ সংবাদদাতাই জানিবলৈ দিছে।

এই উপলক্ষে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্বাধীনতা দিৱসতে কৰুণভাৱে মৃত্যুক সাৱটি লোৱা শিশুকেইটিলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ধেমাজিবাসীয়ে স্বাধীনতা দিৱস উদযাপন কৰিবলৈ অহা শিশু শিক্ষাৰ্থী, নাগৰিকৰ কৰুণ মৃত্যুৰ সেই বিষাদ গধুৰ স্মৃতি কেতিয়াও পাহৰিব নোৱাৰে। এই কৰুণ ঘটনাই আমাক সকলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে আৰু মানৱীয় প্ৰমূল্যবোধৰ সপক্ষে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ সাহস যোগাব।

০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন সন্মানেৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ সপ্তম মৃত্যু বাৰ্ষিকীত আজি সমগ্ৰ ৰাষ্ট্ৰই প্ৰয়াত নেতাগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত থকা তেওঁৰ স্মৃতিসৌধ **সদৈৱ অটলত** প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। গুৱাহাটী মহানগৰীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধা জনোৱা হয়। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বাজপেয়ী ভৱনত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰি শ্ৰদ্ধা নিবেদন কৰে। অমল প্ৰেৰণাৰ প্ৰতিভূ ভাৰতৰত্ন প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰীৰ বাজপেয়ীৰ বাগ্মিতা আদৰ্শ আৰু অসাধাৰণ চিন্তা চৰ্চাই নৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিব বুলি শ্ৰীশইকীয়াই মত প্ৰকাশ কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমৰ পৰা অবৈধ বিদেশী চিনাক্ত কৰি বিতাড়ন কৰাৰ ওপৰত গুৰুত্ব দি সংসদত প্ৰায় ৪৫ মিনিটযোৰা ভাষণ দি অসম আন্দোলনৰ বিষয়বস্তু দাঙি ধৰিছিল বুলি তেওঁ কয়। উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক বৈষম্য আঁতৰোৱাৰ বাবে অসমৰ বড়োলেণ্ড অঞ্চলৰ শান্তি আৰু উন্নয়নৰ ক্ষেত্ৰত বাজপেয়ীয়ে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল বুলি শ্ৰীশইকীয়াই মত প্ৰকাশ কৰে। ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজুকে ধৰি দলীয় কেইবাজনো নেতা কৰ্মীয়ে আজিৰ এই অনুষ্ঠানত অংশ লয়।

মন্ত্ৰী কৌশিক ৰায়ে কাছাৰৰ ৰংপুৰ জিৰো পইণ্টত থকা ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা নিবেদন কৰে। ৰাজ্যসভাৰ সাংসদ কনৰাড পুৰকায়স্থৰ লগতে কেইবাগৰাকীও বিজেপি কৰ্মীয়ে এই অনুষ্ঠানত অংশ লয়।

০০০

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত পঞ্জীয়নৰ অন্তিম তাৰিখ শালি ধানৰ বাবে ২০ আগষ্ট আৰু মাটি মাহৰ বাবে ১৫ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। ইয়াৰ সবিশেষ তথ্যৰ বাবে স্থানীয় কৃষি বিষয়া অথবা সংশ্লিষ্ট বীমা কোম্পানীৰ প্ৰতিনিধিৰ সৈতে যোগাযোগ কৰিবলৈ খেতিয়কসকলক কোৱা হৈছে। এই যোজনাৰ অধীনত প্ৰাকৃতিক দুৰ্যোগ আৰু অনাকাংক্ষিত লোকচানৰ বাবে খেতিয়ক সকলক ক্ষতিপূৰণ কৰা হয়।

০০০

কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাট জিলাৰ কৃষি মহাবিদ্যালয়ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ভাষণত তেওঁ কৃষি

ক্ষেত্ৰৰ বিকাশত মহাবিদ্যালয়খনৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাৰ বিষয়েও বুজ লয়।

মন্ত্ৰীগৰাকীয়ে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাতো মুখ্য অতিথি হিচাপে অংশ লৈ শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰে। তেওঁ এই অনুষ্ঠানতে বিগত শৈক্ষিক বৰ্ষত শ্ৰেষ্ঠত্ব অৰ্জন কৰা কেইবাগৰাকীও শিক্ষাৰ্থীক বঁটা প্ৰদান কৰে।

০০০

বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি বাক্সা জিলাৰ জোপাদঙত অনুষ্ঠিত এটা কাৰ্যসূচীত ৩২৫টা ভূমিহীন পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰে। বি টি আৰৰ তিনি লক্ষাধিক লোকৰ লগতে বনাঞ্চলত বসবাস কৰা লোকৰ ভূমিৰ সমস্যা শীঘ্ৰেই সমাধান কৰা হ'ব বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অৱদানৰ বাবেই বি টি আৰত শান্তি স্থাপন হৈছে বুলিও তেওঁ কয়।

০০০

কংগ্ৰেছ দলৰ নেতৃত্বত আজি বৰপেটা জিলা পৰিষদ গঠন কৰা হয়। জিলা পৰিষদৰ নিৰ্বাচনত দলটোৰ প্ৰাৰ্থী জেছমীন চুলতানাই সভানেত্ৰী আৰু শ্বাহ আলমে উপ সভাপতি হিচাপে নিৰ্বাচিত হয়। উল্লেখযোগ্য যে ১৯ খন আসন থকা বৰপেটা জিলা পৰিষদত কংগ্ৰেছ দলে বিগত পঞ্চায়ত নিৰ্বাচনত ৯ খন আসনত জয় লাভ কৰিছিল। ইয়াৰ বিপৰীতে বিজেপিয়ে ৫ খন, অগপই দুখন, এ আই ইউ ডি এফে দুখন আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এখনত জয়লাভ কৰিছিল।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বৰ্ষীয়ান ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০

স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে আজি বাক্সা জিলাৰ হজোৱাত আনুষ্ঠানিকভাৱে ককলাবাৰী আদৰ্শ চিকিৎসালয়খন উদ্বোধন কৰে। তেওঁ প্ৰায় ৬ কোটি টকা ব্যয়েৰে নিৰ্মিত এই চিকিৎসালয়খন মুকলি কৰি ৰাইজক নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হ'বলৈ আহ্বান জনায়। অনুষ্ঠানৰ শেষত সাংবাদিকৰ আগত তেওঁ বি টি চি নিৰ্বাচন সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। বিটিআৰত একক সংখ্যাগৰিষ্ঠতা লাভ কৰি বিজেপিয়ে অকলেই চৰকাৰ গঠন কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০

শেহতীয়াকৈ ভট্টদেৱ বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা বজালী মহাবিদ্যালয়ৰ ৭১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। অনুষ্ঠানত কাৰ্যসূচী অনুসৰি পুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, অধ্যাপক ধনপতি ডেকাই পতাকা উত্তোলন কৰে। ইয়াৰ পিছত প্ৰতিষ্ঠাপক অধ্যক্ষ কামেশ্বৰ দাসৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজলন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক ননীগোপাল মহন্তই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে অসম লোকসেৱা আয়োগৰ প্ৰথমগৰাকী অসমীয়া অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, ৰাজনীতিবিদ তথা গণিতজ্ঞ কামেশ্বৰ দাসৰ নেতৃত্বত ১৯৫৫ চনৰ ১৬ আগষ্টত বজালী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। ৰাজ্য চৰকাৰে ২০১৭ চনত এই মহাবিদ্যালয়খনক ভট্টদেৱ বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ বাবে পদক্ষেপ হাতত লয়।

০০০

অসমৰ নিব্ৰাছ হুছেইনে গুৱাহাটীৰ চচলত অনুষ্ঠিত আইটা ছুপাৰ চিৰিজ টেনিছ প্ৰতিযোগিতাত দ্বিমুকুট অৰ্জন কৰিছে। নিব্ৰাছে সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় ৰেংকিং প্ৰতিযোগিতাখনত ল'ৰাৰ ১৪ বছৰ অনুৰ্দ্ধ ছিংগলছ আৰু ডাবলছ শাখাত খিতাপ লাভ কৰে।

১৪ আৰু ১৬ বছৰ অনুৰ্দ্ধৰ ল'ৰা-ছোৱালীৰ প্ৰতিযোগিতাখনত ছিংগলছৰ ফাইনেলত নিব্ৰাছে কৰ্ণাটকৰ জছ কুমাৰক ৭-৫, ৬-১ পোনপটীয়া ছেটত পৰাস্ত কৰে। একেদৰে ডাবলছৰ নিব্ৰাছে অসমৰে ৰিক ৰাউটৰ লগত যুটী বান্ধি জছ আৰু সন্তোষৰ যুটীটোক ৩-৬, ৭-৫, ১০-০ ছেটত পৰাস্ত কৰে। নিব্ৰাছে এমাহৰ ভিতৰত ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত এইবাৰকে ধৰি দ্বিতীয়টো দ্বিমুকুট অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। খেলুৱৈগৰাকীয়ে যোৱা মাহত চচলত অনুষ্ঠিত ১২ আৰু ১৪ বছৰ অনুৰ্দ্ধৰ আইটা ছুপাৰ চিৰিজৰ ১৪ বছৰ অনুৰ্দ্ধ ছিংগলছ আৰু ডাবলছ শাখাৰ খিতাপ জয় কৰিছিল।

০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ